# 2013

## ASSAMESE

( Major )

Paper : 4.1

*Full Marks* : 75

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ দিয়া : ১×১০=১০

(ক) ব্যাকৰণ শব্দৰ অৰ্থ কি ?

(খ) অসমীয়া ভাষাটো কি মূলৰ পৰা উদ্ভৱ হোৱা ?

(গ) পাণিনিকৃত ব্যাকৰণখনৰ নাম 'অষ্টাধ্যায়ী' কিয় ?

(ঘ) ড০ বাণীকান্ত কাকতিৰ ভাষা-সম্পৰ্কীয় গৱেষণা গ্ৰন্থখনৰ নাম কি ?

(ঙ) অসমীয়া ভাষাৰ প্ৰথম ব্যাকৰণখনৰ নাম কি ?

(চ) অসমীয়া ভাষাৰ মহাপ্ৰাণ ধ্বনি কেইটা ?



Scanned with OKEN Scanner

(ছ) অসমীয়া ভাষাৰ সাম্প্ৰতিক ব্যঞ্জনমালাত কিমানটা আখৰ আছে ?

(জ) অসমীয়া ভাষাত পুৰুষ কেইটা ?

(ঝ) 'Syntactic Structures' নামৰ পুথিখনৰ লেখক কোন ? Noam Chomsky

(ঞ) বাক্যৰ স্তৰত নিম্নতম ক্ষুদ্ৰ একক বা গোট-বিশেষক কি বোলে ?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) ড০ নাথান ব্ৰাউনে ৰচনা কৰা ব্যাকৰণখনৰ নাম কি আছিল আৰু কোন চনত প্ৰকাশ হৈছিল ?

(খ) অসমীয়া ভাষাত সুৰ লহৰ বুলিলে কি বুজা ?

(গ) ধ্বনি আৰু বৰ্ণৰ মাজত কি পাৰ্থক্য ?

(ঘ) অসমীয়া ভাষাত স্বৰবৰ্ণ বুজোৱা আখৰ আৰু উচ্চাৰণগত বৰ্ণ একেইনে ?

(ঙ) সংস্কৃত আৰু অসমীয়া বচনৰ মাজত থকা পাৰ্থক্য বুজাই লিখা।

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৩=১৫

(ক) অসমীয়া ব্যাকৰণৰ ইতিহাসত 'বহল ব্যাকৰণ'ৰ স্থান সম্বন্ধে লিখা।

(খ) অসমীয়া ভাষাৰ লিঙ্গ-নিৰপেক্ষ ৰূপ বুলিলে কি বুজা ?





(গ) অনিৰ্দিষ্টতাবাচক প্ৰত্যয় কাক বোলে ? উদাহৰণেৰে বুজাই লিখা।

(ঘ) অসমীয়া ভাষাত স্ত্ৰী-প্ৰত্যয় কেইটা আৰু কি কি ?

(ঙ) 'অব্যয় পদ' বুলিলে কি বুজা ?

৪। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) ব্যাকৰণ আৰু ভাষাতত্ত্ব বুলিলে কি বুজা ? অসমীয়া ভাষাত ব্যাকৰণ-চৰ্চাৰ ইতিহাস সম্পৰ্কে আলোচনা কৰা।

(খ) ব্যাকৰণ কেই প্ৰকাৰৰ হ'ব পাৰে ? প্ৰতিবিধৰে চমু আভাস দিয়া।

(গ) অসমীয়া ভাষাত বিশিষ্ট ব্যঞ্জনধ্বনি কেইটা আৰু কি কি ? সংস্কৃততকৈ অসমীয়াত ব্যঞ্জনধ্বনিৰ সংখ্যা কম হোৱাৰ কাৰণ কি ?

(ঘ) বাক্য বুলিলে কি বুজা ? ক্ৰিয়াবিহীন বাক্য আৰু ক্ৰিয়াযুক্ত বাক্য কিদৰে গঠন হয়, আলোচনা কৰা।

(ঙ) অসমীয়াত ধাতু কেই প্ৰকাৰৰ আৰু কি কি ? যি কোনো এবিধ গৌণ ধাতুৰ বিষয়ে বুজাই লিখা।

(চ) কাৰক কাক বোলে ? অসমীয়া ভাষাত কেই প্ৰকাৰৰ কাৰক আছে ? প্ৰতিবিধৰে খৰচি মাৰি আলোচনা কৰা।

(ছ) কি কি উপায় অৱলম্বন কৰি অসমীয়া ভাষাত লিঙ্গ নিৰ্ণয় কৰা হয় ?

★★★



Scanned with OKEN Scanner